**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-DEC-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

অৰুণাচল প্ৰদেশৰ আনজাও জিলাত সংঘটিত শোকাৱহ পথ দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত হোৱা শ্ৰমিক বুদ্ধেশ্বৰ দীপ ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে। এই ভয়ংকৰ দুৰ্ঘটনাটোৰ পৰা জীৱিত অৱস্থাত উদ্ধাৰ হোৱা বুদ্ধেশ্বৰ হৈছে একমাত্ৰ শ্ৰমিক। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি নিশা হাস্পতালত শ্ৰমিকগৰাকীৰ স্বাস্থ্যৰ বুজ লয়। শ্ৰী সোণোৱালে এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে ক্ষতিগ্ৰস্ত পৰিয়াললৈ ৭ লাখ টকাকৈ এককালীন সাহায্য আগবঢ়োৱাৰ কথা প্ৰকাশ কৰে।

**বাইট**

উল্লেখযোগ্য যে মন্ত্ৰী বিমল বৰাই কালি আনজাওৰ দুৰ্ঘটনাস্থলীত উপস্থিত হৈ জিলা প্ৰশাসন, সেনা আৰু এন ডি আৰ এফৰ দলে চলোৱা উদ্ধাৰ অভিযান নিৰীক্ষণ কৰে। অসমৰ ১৪ জন শ্ৰমিককে ধৰি কেইবাজনো লোকৰ মৃত্যু হোৱা ঘটনা সন্দৰ্ভত মন্ত্ৰী বৰাই অৰুণাচলৰ লোহিত জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক আৰু তেজুৰ 25$^{TH}$ ITBP কামাণ্ডেণ্টৰ সৈতে গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়।

oooooo

অসম গণ পৰিষদৰ চাবুৱা-লাহোৱাল সমষ্টি সমিতিৰ উদ্যোগত প্ৰথমখন সংকল্প সমাৱেশ কালি ডিব্ৰুগড়ৰ চাবুৱাৰ দিনজয় খেলপথাৰত অনুষ্ঠিত হয়। সমাবেশত অগপৰ সভাপতি অতুল বৰা, কাৰ্যকৰী সভাপতি কেশৱ মহন্ত, সাংসদ ফণীভূষণ চৌধুৰী, বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যকে ধৰি কেইবাগৰাকী নেতা উপস্থিত থাকে। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি অসম গণ পৰিষদ দলে এই সংকল্প সমাৱেশৰ আয়োজন কৰে। সমাৱেশত মন্ত্ৰী অতুল বৰা আৰু কেশৱ মহন্তই অগপ-বিজেপি মিত্ৰতা, চৰকাৰৰ উন্নয়নমূলক আঁচনি, ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ লগতে চাহ জনগোষ্ঠীৰ লোকক ভূমি পট্টা প্ৰদান বিষয়ত দলৰ স্থিতি সন্দৰ্ভত বক্তব্য আগবঢ়ায়।

oooooo

বিশ্বনাথ জিলাৰ অন্তৰ্গত গহপুৰৰ হেলেম ৰাজচক্ৰৰ উদ্যোগত তথা অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আৰু বিশ্বনাথ জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সহযোগত ছয়দুৱাৰ মহাবিদ্যালয়ত এটা প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। যোৱা ১০ ডিচেম্বৰৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই প্ৰশিক্ষণত দুৰ্যোগ ব্যৱস্থাপনাৰ লগত জড়িত বিভিন্ন প্ৰশিক্ষণ দিয়া হয়। হেলেম ৰাজচক্ৰৰ লাট মণ্ডল, গাঁওপ্ৰধান, চি কিউ আৰ টি স্বেচ্ছাসেৱককে ধৰি ৰাজচক্ৰটোৰ বিভিন্ন বিভাগৰ কৰ্মচাৰী, আৰক্ষী, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ স্বেচ্ছাসেৱক, আশা, অংগনৱাড়ী কৰ্মী, গাঁওৰক্ষী বাহিনী আদি সামৰি প্ৰায় ১৫০ গৰাকী লোকক দুৰ্যোগৰ সঁহাৰি আৰু সাহায্য ব্যৱস্থাপনা, মৌলিক অনুসন্ধান আৰু উদ্ধাৰ কৌশল, শিশুকেন্দ্ৰিক জৰুৰীকালীন প্ৰস্তুতি আৰু জৰুৰীকালীন অৱস্থাত পানী আৰু অনাময় সম্পৰ্কীয় বিষয়ত প্ৰশিক্ষণ অনুষ্ঠিত হয়।

কাৰ্যসূচীৰ তৃতীয় দিনা অৰ্থাৎ কালি সেলেঙিস্থিত অৰুণাচল প্ৰদেশৰ ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ ১২ নম্বৰ বেটেলিয়ন আৰু গহপুৰ অগ্নিনিৰ্বাপক বাহিনীৰ এটা দলৰ জৰিয়তে ভূমিকম্পৰ জৰুৰীকালীন ব্যৱস্থাপনা অনুশীলন অনুষ্ঠিত হয়। হেলেম ৰাজচক্ৰৰ স্বাস্থ্য, শিক্ষা আৰু সংহত শিশু উন্নয়ন প্ৰকল্পৰ কৰ্মচাৰীয়ে এই প্ৰশিক্ষণত অংশগ্ৰহণ কৰে।

০০০০০০

ভাৰতীয় খাদ্য নিগমৰ ধেমাজী গুদামৰ পৰা ২৬ হাজাৰ ৮০০ বস্তা চাউল হৰলুকি হোৱা ঘটনাৰ চি বি আই তদন্তৰ দাবীত কালি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ আৰু কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। ধেমাজীৰ কচাৰি ময়দানৰ সন্মুখত এই প্ৰতিবাদী কাৰ্যসূচীত সংগঠন দুটাৰ শতাধিক সদস্যই অংশ লয়। প্ৰতিবাদকাৰীসকলে ভাৰতীয় খাদ্য নিগমৰ লখিমপুৰ কাৰ্যালয়ৰ অন্তৰ্গত গুদামসমূহক তদন্তৰ আওতালৈ অনা, সুলভ মূল্যৰ দোকানীক নিম্ন মানৰ চাউল যোগান আদিকে ধৰি বহুকেইটা বিষয় চিবিআইৰ তদন্তৰ আওতালৈ অনাৰ বাবে দাবী উত্থাপন কৰে।

০০০০০০

বিশ্বনাথ জিলাৰ অন্তৰ্গত বিহালী সমজিলাত কালি হিংসা প্ৰতিৰোধ সম্পৰ্কীয় এখন সজাগতা সভা অনুষ্ঠিত হয়। মহিলা আৰু শিশু উন্নয়ন বিভাগৰ অধীনত **বিশ্বনাথৰ সংকল্প ঃ হাব ফৰ এমপাৱাৰমেণ্ট অৱ উইমেনৰ** উদ্যোগত লিংগভিত্তিক হিংসা আৰু ডিজিটেল ছেফ্‌টি ৰিং ইনিছিয়েটিভ সন্দৰ্ভত অনুষ্ঠিত ১৬ দিনীয়া অভিযানৰ অংশ হিচাপে এই বিশেষ সজাগতা সভা অনুষ্ঠিত হয়। কাৰ্যসূচীত বিহালী সমজিলা আৰক্ষী অধীক্ষক, সহকাৰী আয়ুক্ত, জিলা সমাজ কল্যাণ বিষয়া, বিশ্বনাথ জিলা আইন সেৱা প্ৰাধিকৰণৰ অধিবক্তা আদি সকলে সমল ব্যক্তিৰ ভূমিকা গ্ৰহণ কৰে।

০০০০০০

সমাপ্ত